অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং-১৮৪

উত্তৰ দিয়াৰ তাৰিখ- ০৭/০৭/২০২৬

বিষয় ঃ **PM. POSHAN** আঁচনি

বিধায়ক ঃ শ্ৰীনুৰুল হুদা ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলক দুপৰীয়াৰ আহাৰ প্ৰদানৰ উদ্দেশ্যে ৰূপায়িত PM. POSHAN আঁচনি অসমৰ সকলো চৰকাৰী, প্ৰাদেশীকৃত আৰু যোগ্য বিদ্যালয়ত কাৰ্য্যকৰী কৰা হৈছেনে ? যদি হৈছে, তেন্তে জিলা ভিত্তিকভাৱে PM. POSHAN আঁচনিৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ সংখ্যাৰ তালিকা সদনত দাখিল কৰিব ।

(খ) PM. POSHAN আঁচনিৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক কি কি খাদ্য সামগ্ৰী যোগান ধৰা হয় ? লগতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে খাদ্য সামগ্ৰীৰ বাবদ কিমানকৈ ধন আৱন্টন কৰা হয়, তাৰ বিতং বিৱৰণ সদনত জনাব ।

(গ) PM. POSHAN আঁচনিৰ খাদ্য ৰন্ধা আৰু পৰিবেশন কাৰ্য্যৰ লগত জড়িত ৰন্ধনকৰ্মী (Cook-cum-Helper) সকলক পাৰিতোষিক প্ৰদান কৰা হয়নে ? যদি হয়, তেন্তে প্ৰতিমাহে কিমানকৈ পাৰিতোষিক প্ৰদান কৰা হয় ? তাৰ তথ্য সদনত জনাব ।

ঃ **উত্তৰ** ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব ঃ

(ক) হয় । অসমৰ সকলো চৰকাৰী, প্ৰাদেশীকৃত আৰু যোগ্য বিদ্যালয়ত PM POSHAN আঁচনি কাৰ্য্যকৰী কৰা হৈছে। জিলা ভিত্তিকভাৱে PM. POSHAN আঁচনিৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ সংখ্যাৰ তালিকা **পৰিশিষ্ট-'ক'** ত সংলগ্ন কৰা হ'ল ।

(খ) আঁচনিৰ অধীনত প্ৰতিজন যোগ্য শিক্ষাৰ্থীৰ বাবে খাদ্য সামগ্ৰীৰ বিৱৰণ তলত দিয়া হ'লঃ-

| ক্ৰমিক নং | উপাদান | প্ৰাথমিক | উচ্চ প্ৰাথমিক |
|---|---|---|---|
| ১ | চাউল | ১০০ গ্ৰাম | ১৫০ গ্ৰাম |
| ২ | দালি | ২০ গ্ৰাম | ৩০ গ্ৰাম |
| ৩ | শাক-পাচলি | ৫০ গ্ৰাম | ৭৫ গ্ৰাম |
| ৪ | তেল আৰু চৰ্বী | ৫ গ্ৰাম | ৭.৫ গ্ৰাম |
| ৫ | নিমখ আৰু মছলা | প্ৰয়োজন অনুসৰি | প্ৰয়োজন অনুসৰি |

ওপৰৰ তালিকাখনত উল্লেখ কৰা খাদ্য সামগ্ৰীৰ উপৰিও প্ৰতি বুধবাৰে প্ৰতিগৰাকী শিশুক এটাকৈ কণী খাবলৈ দিয়াটো বাধ্যতামূলক (নিৰামিষ ভোজী শিশুসকলৰ বাবে কণীৰ বিকল্প হিচাপে চয়াবিন) । ইয়াৰোপৰি, চাহ বাগিচা এলেকা আৰু চৰ/চাপৰি এলেকাত অৱস্থিত বিদ্যালয়সমূহৰ যোগ্য শিক্ষাৰ্থীসকলক সপ্তাহত অতিৰিক্ত দুটাকৈ কণী প্ৰদান কৰা হয়। বিদ্যালয়সমূহলৈ চাউল বিনামূলীয়াকৈ যোগান ধৰা হয় ।

দাইল, শাক-পাচলি, ৰন্ধন তেল, মছলা, ইন্ধন আদি ক্ৰয়ৰ বাবে Material Cost হিচাপে তলত দিয়া ধৰনে ধন প্ৰদান কৰা হয় ঃ-

- নিম্ন প্ৰাথমিক (LP) স্তৰৰ বাবে প্ৰতিজন শিক্ষাৰ্থীৰ বাবে প্ৰতিদিনে ৬.৭৮ টকা ।
- উচ্চ প্ৰাথমিক (UP) স্তৰৰ বাবে প্ৰতিজন শিক্ষাৰ্থীৰ বাবে প্ৰতিদিনে ১০.১৭ টকা ।
- সপ্তাহত দুটা অতিৰিক্ত কণীৰ বাবে প্ৰতি কণীত ৬.৫০ টকা হাৰত ধন মুকলি কৰা হয় ।

(গ) হয় । ৰন্ধন কৰ্মীসকলক ভাৰত চৰকাৰৰ অনুমোদিত হাৰত বছৰত ১০ মাহৰ বাবে প্ৰতিমাহে ১০০০ টকা মাননি প্ৰদান কৰা হয়। ইয়াৰোপৰি অসম চৰকাৰে প্ৰতিজন ৰন্ধন কৰ্মীক বছৰত ১০ মাহৰ বাবে প্ৰতিমাহে অতিৰিক্ত ১০০০ টকা মাননি প্ৰদান কৰা হয়। সৰ্বমুঠ ২০০০ টকাকৈ প্ৰতিমাহে ১০ মাহৰ বাবে এজন ৰন্ধন কৰ্মীৰ বাবে ব্যয় কৰা হয় ।

(তৰাবিহীন প্ৰশ্ন নং-১৮৪ৰ উত্তৰ আৰু **পৰিশিষ্ট-'ক'** (www.cmsasla.neva.gov.in) eVidhan (NeVA) পৰ্টেলত উপলব্ধ)

==//==

**পৰিশিষ্ট-'ক'**

২০২৬-২৭ বৰ্ষত অসমত PM POSHAN আঁচনিৰ অধীনত সামৰি লোৱা
জিলাভিত্তিক বিদ্যালয়ৰ সংখ্যা

| ক্ৰমিক নং | জিলা | মুঠ বিদ্যালয় |
|---|---|---|
| ১ | বাক্সা (তামুলপুৰ জিলাসহ) | ১৬৬৮ |
| ২ | বৰপেটা (বজালী জিলাসহ) | ২০৩৯ |
| ৩ | বিশ্বনাথ | ১০৮৫ |
| ৪ | বঙাইগাঁও | ৯২২ |
| ৫ | কাছাৰ | ২১৫৪ |
| ৬ | চৰাইদেউ | ৭৪৩ |
| ৭ | চিৰাং | ৯৪৪ |
| ৮ | দৰং | ১১৬৫ |
| ৯ | ধেমাজি | ১৪২৭ |
| ১০ | ধুবুৰী | ১৯৯৫ |
| ১১ | ডিব্ৰুগড় | ১৬৪২ |
| ১২ | ডিমা হাছাও | ৮৭৫ |
| ১৩ | গোৱালপাৰা | ১৫৫৬ |
| ১৪ | গোলাঘাট | ১৪৬২ |
| ১৫ | হাইলাকান্দি | ১২৩০ |
| ১৬ | হোজাই | ৯৫৫ |
| ১৭ | যোৰহাট | ১২০৫ |
| ১৮ | কামৰূপ মহানগৰ | ৬২৫ |
| ১৯ | কামৰূপ | ২০৫০ |
| ২০ | কাৰ্বি আংলং | ১২৮৯ |
| ২১ | কোকৰাঝাৰ | ১৭২৬ |
| ২২ | লখিমপুৰ | ১৯০৪ |
| ২৩ | মাজুলী | ৪৭৯ |
| ২৪ | মৰিগাঁও | ১৩৮৮ |
| ২৫ | নগাঁও | ২১৬৩ |
| ২৬ | নলবাৰী | ১০৫৭ |
| ২৭ | শিৱসাগৰ | ১২২৬ |
| ২৮ | শোণিতপুৰ | ১১৭৫ |
| ২৯ | দক্ষিণ শালমাৰা-মানকাচাৰ | ৩৯৯ |
| ৩০ | শ্ৰীভূমি | ১৭৮৯ |
| ৩১ | তিনিচুকীয়া | ১৩৮৪ |
| ৩২ | ওদালগুৰি | ১৩৩৯ |
| ৩৩ | পশ্চিম কাৰ্বি আংলং | ৭০৩ |
| | **মুঠ** | **৪৩,৭৬৩** |